# ব্ৰেখটীয় নাট্যধাৰা

আধুনিক নাট্যধাৰাৰ পৰিবৰ্তন সাধন কৰা এজন নাট্যকাৰ হ'ল বাৰ্টল্ট ব্ৰেখট। জাৰ্মানীৰ এই নাট্যকাৰ জনৰ জন্ম হৈছিল ১৮৯৮ চনত জাৰ্মানীত। তেওঁৰ নাট্যধাৰাক ব্ৰেখটীয় নাট্যধাৰা বুলি কোৱা হয়। এই নাট্যধাৰাই বহুতো নাট পৰিচালকক প্ৰভাবিত কৰিছিল। ব্ৰেখট মাৰ্ক্সবাদী আছিল। মাৰ্ক্সবাদী সকলে সাহিত্যক তেওঁলোকৰ মতবাদ প্ৰচাৰত আৰু সমাজ পৰিবৰ্তনৰ মাধ্যম ৰূপে গ্ৰহণ কৰে। মাক্সবাদী সকলে বিশ্বাস কৰে যে সমাজৰ সকলো সমস্যাৰ কাৰণ হ'ল সমাজৰ স্বাৰ্থপৰ মধ্যবিত্ত শ্ৰেণী। তেওঁলোকৰ বাবেই সমাজত বৈষম্য, অন্যায় অবিচাৰ ইত্যাদি সংঘটিত হয়। সেয়ে মাৰ্ক্সবাদী সাহিত্যিক সকলে সমাজক সচেতন কৰিবলৈ লগতে, এনেধৰণৰ সমস্যাবোৰ সমাধান কৰিবলৈ সাহিত্যক মাধ্যম হিচাপে গ্ৰহণ কৰে। ব্ৰেখট এনে মতবাদৰে এজন নাট্যকাৰ। ব্ৰেখটে পৰম্পৰাগত নাট্য ৰীতি বা মঞ্চৰীতিৰ বিপৰীতে এপিক থিয়েটাৰ (Epic Theatre) নামেৰে এক নাট্যৰীতি প্ৰচলন কৰে। ব্ৰেখটে বিশ্বাস কৰিছিল যে গতানুগতিক নাটক আৰু মঞ্চ ৰীতিয়ে দৰ্শক সমাজক সচেতন কৰিব নোৱাৰে। নাটকৰ ঘটনা আৰু চৰিত্ৰৰ লগত একাত্ম হৈ দৰ্শকে তাত উপস্থাপিত সমস্যাক হৃদয়ংগম কৰিবলৈ সুবিধা নাপায়। সেয়ে সমস্যা, সমস্যা হৈয়ে ৰৈ যায়। সেইবাবেই ব্ৰেখটে দৰ্শকৰ চিন্তা শক্তিক জগাই তুলিবলৈ দৰ্শক আৰু নাটকৰ চৰিত্ৰৰ মাজত এক ব্যৱধানৰ সৃষ্টি কৰিছিল। আনকি দৰ্শকৰ দৰেই চৰিত্ৰবোৰত অভিনয় কৰা অভিনেতা-অভিনেত্ৰী বোৰেও যাতে তাৰ লগত একাত্ম হ'ব নোৱাৰে সেই ব্যৱস্থা কৰিছিল। দৰ্শকক ঘটনা প্ৰবাহৰ মাজত বিলীন হৈ যোৱাটো তেওঁ বিচৰা নাছিল। দৰ্শকে বসবাস কৰা সমাজখনত কি ঘটি আছে সেয়া যাতে উপলব্ধি কৰে, সেই সমস্যা সমাধানৰ পথ নিজে

বিচাৰি লোৱাটো ব্ৰেখটে বিচাৰিছিল। সেই বাবেই তেওঁ Epic Theatre ৰ ধাৰণা আৱিষ্কাৰ কৰিছিল। এতিয়া কথা হ'ল Epic Theatre অথবা মহাকাব্যিক নাটকৰ ধাৰণাটো কি? ব্ৰেখটৰ মতে নাটকৰ ঘটনা আবেগ আনুভূতিতকৈ বৰ্ণনাত্মক আৰু সামাজিক বাস্তৱবাদৰ ভেটিত হ'ব লাগে। সেইবাবেই ব্ৰেখটে ট্ৰেজেদিক সমৰ্থন কৰা নাছিল। কাৰণ ট্ৰেজেদিত আবেগ অনুভূতিৰ ওপৰত বিশেষ গুৰুত্ব দিয়া হয়। ব্ৰেখটৰ মতে নাটকৰ দৰ্শক নাটকৰ মাজত বিলীন নহৈ হ'ব লাগে মহাকাব্যৰ পাঠকৰ দৰে। মহাকাব্য যেন — ইলিয়াড, আৰু ওডিচি, ৰামায়ণ, মহাভাৰত আদি পঢ়োতে পাঠকে তাৰ ঘটনাবোৰ প্ৰাচীন কালত খটিত হোৱা বুলি ভাবি লয়। মহাকাব্যৰ ৰচক বা কবিয়েও বৰ্ণনাৰ জৰিয়তে পাঠকক এইদৰে ভবাত সহায় কৰে। একেদৰে নাটকৰ ঘটনাবোৰো সঁচা-সচি সংঘটিত হোৱা বুলি দৰ্শকে ভাবিব নালাগে বা চৰিত্ৰবোৰৰ আবেগৰ লগতো দৰ্শক একাত্ম হ'ব নালাগে। উদাহৰণ স্বৰূপ ৰামায়ণ মহাকাব্যৰ ৰাম ৰাৱণৰ যুদ্ধৰ কাহিনী ভাগ যদি নাটকাৰে দেখুওৱা হয়, হাজাৰ বছৰ আগৰ ক্ৰিয়া প্ৰতিক্ৰিয়া দৰ্শকৰ পৰা বিচাৰিব নালাগে। ৰাম-ৰাৱণৰ চৰিত্ৰ ৰূপায়ন কৰা অভিনেতা কেইজনেও নিজকে ৰাম-ৰাৱণ বুলি ভাবিব নালাগে, নহ'লে পৰিবৰ্তনশীল মানুহৰ মূল্য কি থাকিল। ব্ৰেখটৰ মতে মানুহ পৰিৱৰ্তনশীল, এই গ্ৰণ থকা বাবেই মানুহে সমাজৰ বিপৰীত পৰিস্থিতিক নিজৰ অনুকুল কৰিব পাৰিব লাগিব, ব্ৰেখটৰ নাটক আৰু নাট্যৰীতিয়ে এই বাৰ্তাহে প্ৰদান কৰে। এয়ে হৈছে Epic Theatre বা মহাকাব্যিক নাটকৰ ধাৰণা।

ব্ৰেখট পৰিবৰ্তনত গভীৰ ভাৱে বিশ্বাসী। এই বাবেই ব্ৰেখটৰ 'এলিয়েনেইশ্বন' তত্ব গুৰুত্বপূৰ্ণ। এলিয়েনেশ্বন মানে হ'ল বিচ্ছিন্নকৰণ। এই তত্ব ৰোমাণ্টিক যুগতো ব্যৱহাৰ হৈছিল। কবিতাত সাধাৰণ পৰিচিত বস্তু এটাকো অপৰিচিত ৰূপে দাঙি ধৰা হয়। উদাহৰণ স্বৰূপে চন্দ্ৰ কুমাৰ আগৰৱালাৰ 'নিয়ৰ' কবিতাটো। ব্ৰেখটে এই তত্ব ব্যৱহাৰ কৰিছিল মানুহৰ বাবে সমাজৰ

বাবে ব্ৰেখটীয় নাট্যৰীতিত বিচ্ছিন্ন হয় দৰ্শক আৰু নাট্য ৰস, একেদৰে চৰিত্ৰ আৰু অভিনেতা।

ব্ৰেখটৰ নাট্যৰীতিত প্ৰতিফলিত হৈছিল তেওঁৰ বিদ্ৰোহী চিন্তাধাৰা। আগতেই উল্লেখ কৰা হৈছে যে তেওঁৰ নাট্যনীতিয়ে দৰ্শকৰ আবেগ অনুভূতিত কৈ চিন্তাৰ উদ্ৰেক কৰাত হে গুৰুত্ব দিছিল। অৰ্থাৎ ব্ৰেখটৰ এপিক থিয়েটাৰে দৰ্শকক এখন মিছা বৰ্তমানৰ সৃষ্টি নকৰি সেয়া যে অতীতত সংঘটিত কোনো ঘটনাৰ নাট্য ৰূপহে সেয়া বুজাই দিয়ে। এই মহাকাব্যিক নাটকে দৰ্শকক প্ৰতিমুহূৰ্তত সচেতন আৰু সজাগ কৰি ৰাখে, নাট্য কাহিনীৰ লগত ভাহি যাবলৈ নিদিয়ে। ব্ৰেখটৰ নাট্যৰীতিত চৰিত্ৰ এটা অভিনয় কৰা অভিনেতা জনেও সচেতন হৈ থাকিব লাগিব যে তেওঁ অভিনয়হে কৰি আছে, উক্ত চৰিত্ৰটো তেওঁ নিজেই নহয়। উদাহৰণ স্বৰূপে ৰামৰ চৰিত্ৰটো অভিনয় কৰা অভিনেতাজনে মনত ৰাখিব লাগিব তেওঁ ৰামৰ কাৰ্যখিনি অভিনয় কৰিহে দেখুৱাইছে, তেওঁ নিজে ৰাম নহয়। ব্ৰেখটে এই কথাটো বুজাবলৈ এটা উদাহৰণ দিছে— এটা পথ দুৰ্ঘটনাত এজন বৃদ্ধ মানুহক গাড়ী এখনে খুন্দা মাৰি পেলাই থৈ গ'ল। প্ৰত্যক্ষদৰ্শী এজনে গোটখোৱা মানুহখিনিক ঘটনাটোৰ বৰ্ণনা কৰিছে— কেনেদৰে বৃদ্ধজন লাহে লাহে খোজ কাঢ়ি গৈ থাকোতে গাড়ীখনে পিছফালৰ পৰা আহি খুন্দা মাৰি দিলে আৰু মানুহজন চিটিকি ৰাস্তাৰ কাষত পৰি গ'ল, তেওঁ বৰ্ণনা কৰোতে অংগী অংগীৰে কথাবোৰ বুজাবলৈ চেষ্টা কৰিছে। প্ৰত্যক্ষদশাজনে ঘটনাটো বৰ্ণনা কৰোতে তেওঁ যে সেই বুঢ়া মানুহজন নহয় সেয়া মনত থাকে। তেওঁ কেৱল ঘটনাটোৰ বৰ্ণনাহে দিছে। গতিকে তেওঁ মানুহজন বা চালকজনৰ ওপৰত নিজা মন্তব্যও দিব পাৰে। ব্ৰেখটৰ নাট্যৰীতি অনুসৰি বুঢ়া মানুহজন আৰু প্ৰত্যক্ষ্যদৰ্শীজনৰ দৰেই নাটকৰ চৰিত্ৰ আৰু অভিনেতা হোৱা উচিত। ব্ৰেখটৰ আন এটি বিশ্বাস এই যে দুজন ব্যক্তিৰ দ্বাৰাহে যেনেদৰে প্ৰাথমিক সামাজিক একক গঠিত হয়, একেদৰে দুটা চৰিত্ৰৰ দ্বাৰাৰে সৰ্বনিম্ন নাটকীয় ঐক্য সৃষ্টি হয়, অৰ্থাৎ ইয়াৰ পৰা এইটো স্পষ্ট যে

ব্ৰেখটে ব্যক্তি বা চৰিত্ৰৰ ব্যক্তিগত আবেগ অনুভূতিতকৈ পৰস্পৰৰ সম্পৰ্ক বা সামাজিক চেতনাৰ ওপৰতহে গুৰুত্ব দিছে। ব্ৰেখটৰ অন্যতম এখন বিখ্যাত নাটক। The good Person of Setzuan ত (১৯৪৩) ভাল চৰিত্ৰৰ নায়িকাই বেয়া মানুহৰ মুখা পিন্ধিহে নিজৰ জীৱন নিৰ্বাহ কৰিবলৈ সক্ষম হৈছে। নাটকখনত নায়িকাই কেনে সংঘাতৰ মুখামুখি হৈছে তাত গুৰুত্ব দিয়াতকৈ সমাজত যে সৎভাৱে মানুহ জীয়াই থাকিব নোৱাৰে সেই দিশটোৰ ওপৰতহে গুৰুত্ব প্ৰদান কৰে। আৰু তেনে সমাজ সলনি হোৱা উচিত বুলি নাটকত বুজাই দিয়া হয়। ব্ৰেখটৰ কেইখন মান গুৰুত্ব পূৰ্ণ নাটক হ'ল— Man Equals Man, (1926), The Elephant calf (1926), Happy End (1929), The Decision (1930), The Mether (1932), Mother courage and Her Children (1941)

The Tutor (1950) ইত্যাদি।

তলৰ বাক্যশাৰীত ব্ৰেখটৰ চিন্তাধাৰা তথা দৃষ্টিভংগীৰ সুন্দৰ প্ৰতিফলন হৈছে —

'Art is not a mirror with which
to reflect reality but a
hommer with which to share it'.

'কলা এখন দাপোন নহয় য'ত বাস্তৱতা প্ৰতিফলিত হয়, কলা হৈছে এটা হাতুৰী যিয়ে বাস্তবতাক এক আকাৰ দিয়ে।'

***